**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-05-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ **মন কী বাত** অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব।

২। চীফ অৱ্ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহানে আজি সামৰিক সেৱাৰ পৰা বিদায় লয়।

৩। ভাৰত ভ্ৰমণৰত ম্যানমাৰৰ ৰাষ্ট্ৰপতি উ মিন আং লাইং আজি ভ্ৰমণসূচীৰ অংশ হিচাপে বিহাৰৰ বুদ্ধগয়াত উপস্থিত হয়।

৪। বিহাৰৰ বিভিন্ন অংশত ধুমুহা-বৰষুণ আৰু বজ্ৰপাতৰ ফলত কমেও সাতজন লোকে প্ৰাণ হেৰুৱাইছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ গুজৰাট টাইটানছ্ ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ **মন কী বাত** অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৪ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

oooooooo

চীফ অৱ্ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহানে আজি সামৰিক সেৱাৰ পৰা বিদায় লয়। নতুন দিল্লীৰ ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকত সেনা বাহিনীৰ তিনিওটা শাখাৰ গাৰ্ড অৱ্ অনাৰ গ্ৰহণ কৰাৰ পাছতে তেওঁ আনুষ্ঠানিকভাৱে সামৰিক সেৱাক বিদায় জনায়। দেশৰ শীৰ্ষ সামৰিক বিষয়া হিচাপে জেনেৰেল চৌহানে সফলতাৰে নিজৰ কাৰ্যকাল শেষ কৰাৰ স্বীকৃতি স্বৰূপে যুদ্ধ স্মাৰকত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। যুদ্ধ স্মাৰকত শ্ৰদ্ধাঞ্জলি জনোৱাৰ পাছত জেনেৰেল চৌহানে কয় যে সেনা বাহিনীৰ তিনিওটা শাখাৰ গাৰ্ড অৱ্ অনাৰেৰে সন্মানিত হোৱাটো তেওঁৰ বাবে অত্যন্ত গৌৰৱৰ বিষয় হিচাপে বিবেচিত হৈছে। ৪ দশকৰো অধিক কালজোৰা সামৰিক সেৱাৰ পৰা অসামৰিক জীৱনলৈ উভতি যোৱা সেনা বিষয়াগৰাকীয়ে কয় যে তেওঁৰ কাৰ্যকাল তেওঁৰ বাবে সন্তোষজনক আছিল।

(বাইট-অনিল চৌহান)

ভাৰতীয় সেনা বাহিনীত ১৯৮১ চনত যোগদান কৰা জেনেৰেল অনিল চৌহানে ৪০ বছৰৰো অধিক কাল দেশৰ প্ৰতি সেৱা আগবঢ়ায়। কৰ্ম জীৱনত তেওঁ সেনাৰ বিভিন্ন পদবীত কাৰ্য নিৰ্বাহ কৰিছিল। সেৱাৰ স্বীকৃতি স্বৰূপে তেওঁ পৰম বিশিষ্ট সেৱা পদক, উত্তম যুদ্ধ সেৱা পদক, অতি বিশিষ্ট সেৱা পদক, সেনা পদক আৰু বিশিষ্ট সেৱা পদকেৰে সন্মানিত হৈছিল। লেফটেনেণ্ট জেনেৰেল এন এছ্ ৰাজা সুব্ৰামণি জেনেৰেল চৌহানৰ স্থলাভিষিক্ত হ'ব।

ooooooooo

ভাৰত ভ্ৰমণৰত ম্যানমাৰৰ ৰাষ্ট্ৰপতি উ মিন আং লাইং আজি ভ্ৰমণসূচীৰ অংশ হিচাপে বিহাৰৰ বুদ্ধগয়াত উপস্থিত হয়। ভ্ৰমণকালত ৰাষ্ট্ৰপতিগৰাকীয়ে বিশ্বপ্ৰসিদ্ধ মহাবোধি মন্দিৰ আৰু ঐতিহাসিক সুজাতা মন্দিৰত প্ৰাৰ্থনা জনায়। ৰাষ্ট্ৰপতিগৰাকীয়ে বুদ্ধগয়াত থকা ম্যানমাৰৰ বিভিন্ন বৌদ্ধ মঠ পৰিদৰ্শন কৰাৰ কথা। ইয়াৰ পূৰ্বে বিহাৰৰ কৃষি মন্ত্ৰী বিজয় কুমাৰ সিন্‌হাই ৰাষ্ট্ৰপতি উ মিন আং লাইঙক গয়া বিমান বন্দৰত আদৰণি জনায়। ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে জ্যেষ্ঠ বিষয়া আৰু বৌদ্ধ প্ৰতিনিধিৰ এটা উচ্চ পৰ্যায়ৰ দলো আহিছে। ৰাষ্ট্ৰপতি উ মিন আং লাইঙৰ এই পাঁচদিনীয়া ভাৰত ভ্ৰমণে উভয় দেশৰ মাজৰ ঐতিহাসিক, সংস্কৃতিক আৰু বৌদ্ধ ঐতিহাসিক বান্ধোন শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। এই ভ্ৰমণে লগতে দুয়ো দেশৰ মাজত দ্বিপাক্ষিক সহোযোগিতাত গতি প্ৰদান কৰিব বুলি বিশেষজ্ঞ মহলে প্ৰকাশ কৰিছে।

oooooooo

সেনা প্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে কৈছে যে ভাৰতৰ সেনা বাহিনী বৃহৎ অভিযানৰ বাবে সতৰ্ক হৈ আছে আৰু পৰিস্থিতিয়ে বাধ্য কৰিলে দ্বিতীয়বাৰৰ বাবে অপাৰেচন সিন্দুৰ আৰম্ভ কৰিবলৈ সম্পূৰ্ণ সাজু হৈ আছে। মহাৰাষ্ট্ৰৰ পুনেৰ খড়কৱাছলাৰ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমীৰ এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি জেনেৰেল দ্বিবেদীয়ে কয় যে অপাৰেচন সিন্দুৰে সুৰক্ষাৰ ক্ষেত্ৰত আহি পৰা যিকোনো ধৰণৰ প্ৰত্যাহ্বান ৰোধ কৰিবলৈ ভাৰতৰ যে সামৰিক যোগ্যতা আছে, সেই কথাকে প্ৰতিফলন কৰিলে। তেওঁ কয় যে অপাৰেচন সিন্দুৰৰ জৰিয়তে দেশবাসীৰ সেনা বাহিনীৰ প্ৰতি থকা আস্থা আৰু বিশ্বাসক প্ৰতিয়মান কৰিলে। তেওঁ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমীখনৰ পৰা স্নাতক হোৱা শিক্ষাৰ্থীসকলক দেশ প্ৰেম, নেতৃত্বৰ গুণ আৰু দেশৰ প্ৰতি সেৱাৰ মনোভাবেৰে আগবাঢ়ি যাবলৈ আহ্বান জনায়। সেনা প্ৰধানগৰাকীয়ে সুৰক্ষাজনিত পৰিৱেশত অবিৰত শিক্ষণ আৰু পৰিৱেশৰ প্ৰতি যোগাত্মক দৃষ্টিভংগী ৰখাৰ প্ৰয়োজনীয়তাত গুৰুত্ব দিয়ে। তেওঁ কয় যে ফলদায়ক নেতৃত্বই সৈনিকৰ আস্থা আৰু বিশ্বাস গঠন কৰে। জেনেৰেল দ্বিবেদীয়ে একাডেমীখনৰ পৰা উত্তীৰ্ণ মহিলা কেডাৰসকলৰ কাৰ্য ক্ষমতাৰ প্ৰশংসা কৰে। তেওঁ কয় যে সাহস, দৃঢ়তা আৰু সামৰিক অভিজ্ঞতা সকলোৰে বাবে সমান, এই ক্ষেত্ৰত লিংগ বৈষম্যৰ কথা নাহে। তেওঁ কেডাৰসকলৰ লগতে তেওঁলোকৰ পৰিয়াল, প্ৰশিক্ষক, একাডেমীখনৰ কৰ্মচাৰীসকলকো অভিনন্দন জনায়। তেওঁ তৰুণ বিষয়াসকলক সেৱা পৰম ধৰ্ম নীতি সাৰোগত কৰি আগবাঢ়ি যাবলৈ পৰামৰ্শ দিয়ে।

একাডেমীখনৰ পৰা এইবাৰ ৩৫৩ গৰাকী কেডাৰ স্নাতক হৈ উলাইছে। ইয়াৰে ২৩৬ গৰাকীক জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ে ডিগ্ৰী প্ৰদান কৰিছে।

ooooooooo

কৰ্ণাটকৰ বিদায়ী মুখ্যমন্ত্ৰী চিদ্দাৰমইয়াই আজি বিয়লি বাংগালুৰুত কংগ্ৰেছ বিধায়িনী দলৰ বৈঠক আহ্বান কৰিছে। এই বৈঠকত বিধায়িনী দলৰ নতুন নেতা বাছনি কৰা হ'ব। ৰাজ্যপাল থাৱৰচন্দ গেহলটে

ইতিমধ্যে চিদ্দাৰমইয়াৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰিছে আৰু নতুন নেতা বাছনি নকৰা পৰ্যন্ত কাম-কাজ চলাই নিবলৈ আহ্বান জনাইছে। আমাৰ সংবাদদাতাই প্ৰকাশ কৰা মতে ডি কে শিৱকুমাৰে কংগ্ৰেছৰ বিধায়িনী দলৰ নতুন নেতা হিচাপে বাছনি লাভ কৰাৰ সম্ভাৱনা আছে।

কংগ্ৰেছৰ ১৩৬গৰাকী বিধায়কক বিধায়িনী দলৰ বৈঠকত উপস্থিত থাকিবলৈ কোৱা হৈছে। নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক আৰু কৰ্ণাটকৰ দায়িত্বত থকা ৰণদীপ সিং সুৰ্যেৱালাই বিধায়িনী দলৰ বৈঠকত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকিব। বিধায়িনী দলে নতুন নেতা বাছনি কৰাৰ পাছতে নেতাগৰাকীয়ে ৰাজ্যপালক সাক্ষাৎ কৰি নতুন চৰকাৰ গঠনৰ বাবে অনুমতি বিচাৰিব আৰু মন্ত্ৰীসভাৰ শপত গ্ৰহণৰ দিন চূড়ান্ত কৰিব।

০০০০০০০

বিহাৰৰ বিভিন্ন অংশত ধুমুহা-বৰষুণ আৰু বজ্ৰপাতৰ ফলত কমেও সাতজন লোকে প্ৰাণ হেৰুৱাইছে। আমাৰ সংবাদদাতাই জনোৱা মতে গয়াত তিনিজন আৰু ঔৰংগাবাদত দুজন লোক এনে ঘটনাত নিহত হৈছে। ইয়াৰ উপৰি ছাৰণ আৰু খগড়িয়াত এজনকৈ লোকে প্ৰাণ হেৰুৱাইছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী সম্ৰাট চৌধৰীয়ে এই ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে আৰু নিহতসকলৰ নিকটাত্মীয়লৈ ৪ লাখ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে।

০০০০০০০

গোৱাৰ আজি ৩৯ সংখ্যক ৰাজ্য প্ৰতিষ্ঠা দিৱস। ১৯৮৭ চনৰ আজিৰ দিনটোতে গোৱা পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা প্ৰদান কৰা হৈছিল আৰু গোৱা দেশৰ ২৫ সংখ্যক ৰাষ্ট্ৰৰূপে পৰিগণিত হৈছিল। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ৰাজ্য প্ৰতিষ্ঠা দিৱস উপলক্ষে গোৱাৰ জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে গোৱা কেৱল চহকী সাংস্কৃতিক ঐতিহ্য আৰু আতিথ্যৰ বাবেই নহয়, বৰং শিক্ষা, প্ৰযুক্তি, ষ্টাৰ্টআপ আৰু বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত লাভ কৰা অভূতপূৰ্ব অগ্ৰগতিৰ বাবে জনাজাত। গোৱাই উদ্ভাৱন, পৰিবেশ সংৰক্ষণ আৰু সৰ্বাত্মক বিকাশৰ প্ৰতিশ্ৰুতিৰে বিকশিত ভাৰত গঢ়াৰ যাত্ৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে প্ৰতিষ্ঠা দিৱস উপলক্ষে পানাজীৰ কলা একাডেমীত আয়োজিত এটা সমাবেশত ভাষণ দি গোৱা চহকী সংস্কৃতি আৰু ঐতিহ্য সংৰক্ষণৰ সৈতে ভাৰসাম্য ৰক্ষা কৰি বিকাশৰ পথত অগ্ৰসৰ হোৱা এখন ৰাজ্যৰ আৰ্হি হিচাপে আখ্যা দিয়ে। ইয়াৰ পূৰ্বে উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে মাৰিঅ' মিৰাণ্ডা প্ৰদৰ্শনী আৰু বিশিষ্ট কাৰ্টুন শিল্পীগৰাকীৰ এটা স্মাৰক ডাক টিকট মুকলি কৰে। তেওঁ লগতে বঁটা তথা নিযুক্তিপত্ৰ বিতৰণ কৰে আৰু দীনদয়াল স্বাস্থ্য সেৱা যোজনাৰ অধীনত বৰ্ধিত সাহায্য মুকলি কৰে। তেওঁ কয় যে ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষ বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ দৃষ্টিভংগী বাস্তৱায়িত কৰাৰ বাবে বিকশিত গোৱা অত্যন্ত আৱশ্যকীয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া বাৰ্তাত কয় যে গোৱা প্ৰাণৱন্ত সংস্কৃতি, চহকী ঐতিহ্য, মনোমোহা প্ৰাকৃতিক সৌন্দৰ্য আৰু অতিথিপৰায়ণ জনসাধাৰণৰ বাবে জনাজাত। তেওঁ লগতে গোৱাই অনাগত সময়তো সমৃদ্ধিৰ যাত্ৰা অব্যাহত ৰাখি আৰু বিকশিত ভাৰত দৃষ্টিভংগীত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিৰক্ষা সচিব পেটে হেগছেথে কৈছে যে ইৰান যদিহে এখন চুক্তিত উপনীত হোৱাত ব্যৰ্থ হয়, তেন্তে ৱাছিংটন দেশখনত পুনৰ সামৰিক অভিযান চলাবলৈ সাজু আছে। এছিয়া মহাদেশৰ আগশাৰীৰ সুৰক্ষা মঞ্চ ছাংগ্ৰি-লা ডাইল'গত ভাষণ দি শ্ৰী হেগছেথে কয় যে যদিহে ইৰানৰ উপৰি বিশ্বৰ আন ঠাইতো অভিযান চলোৱাৰ প্ৰয়োজন হয় তেন্তে আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰ্যাপ্ত সামৰিক ক্ষমতা আছে।

ooooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ আহমেবদাবাদত হ'বলগীয়া ফাইনেলত গুজৰাট টাইটানছ যোৱাবাৰৰ চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। গুজৰাট টাইটানছে যোৱা নিশা নিউ চণ্ডীগড়ত অনুষ্ঠিত দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছক ৭ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৱে প্ৰথমখন কোৱালিফায়াৰত গুজৰাট টাইটানছক ৯২ ৰাণত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

oooooooo

সমাপ্ত